# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-09-2024
**Time :** 17-15 Hrs.

# Assamese Evening Bulletin
## Headlines

ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে অহা ২৯ ছেপ্তেম্বৰত অনুষ্ঠিত কৰিবলগীয়া স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ পদ আৰু মেট্ৰিক পৰ্যায়ৰ চালকৰ তৃতীয় বৰ্গৰ পদৰ লিখিত পৰীক্ষাৰ বাবে প্ৰৱেশ পত্ৰ অহা ১৬ ছেপ্তেম্বৰৰ পৰা প্ৰদান কৰা হ'ব। এই সন্দৰ্ভত আয়োগে প্ৰকাশ কৰা এখন জাননী অনুযায়ী ১৬ ছেপ্তেম্বৰৰ পুৱা ১১ বজাৰ পৰা অসম চৰকাৰৰ ৱেবছাইট www.assam.gov.in আৰু অসম মাধ্যমিক পৰিষদৰ ৱেবছাইট www.site.sebaonline.orgৰ জৰিয়তে প্ৰাৰ্থীসকলে প্ৰৱেশ পত্ৰসমূহ ডাউনল'ড কৰিব পাৰিব। লিখিত পৰীক্ষাৰ দিনা প্ৰাৰ্থীসকলে প্ৰৱেশ পত্ৰৰ লগতে আধাৰ কাৰ্ড, পান কাৰ্ড, ড্ৰাইভিং লাইচেন্স, ভোটাৰ কাৰ্ডকে ধৰি নিৰ্ধাৰিত ফটোযুক্ত পৰিচয় পত্ৰ দেখুওৱাব লাগিব। আয়োগে লগতে প্ৰৱেশ পত্ৰত সন্নিবিষ্ট হৈ থকা নীতি-নিৰ্দেশনাসমূহ প্ৰাৰ্থীসকলে মানি চলিব লাগিব বুলি নিৰ্দেশনাটোত উল্লেখ কৰিছে। উল্লেখযোগ্য যে ২৯ ছেপ্তেম্বৰৰ দিনা আগবেলা পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ পৰীক্ষা আৰু পাছবেলা দুপৰীয়া ডেৰ বজাৰ পৰা বিয়লি চাৰে ৪ বজালৈ মেট্ৰিক পৰ্যায়ৰ চালকৰ পদৰ বাবে পৰীক্ষা অনুষ্ঠিত হ'ব। সংশ্লিষ্ট কৰ্তৃপক্ষই দিয়া তথ্য অনুযায়ী স্নাতক পৰ্যায়ৰ তৃতীয় বৰ্গৰ ৪ হাজাৰ ৫৫টা পদৰ বাবে ৫ লাখ ২৯ হাজাৰ ৯৮৯ গৰাকী প্ৰাৰ্থী আৰু চালকৰ ৪১৮টা পদৰ বাবে ২ লাখ ৪ হাজাৰ ৯৯১ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব।

০০০

কাইলৈ হ'বলগীয়া ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি পৰীক্ষাৰ বাবে প্ৰতিখন জিলা প্ৰশাসনে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে আইন শৃংখলাৰ দিশটোতো গুৰুত্ব আৰোপ কৰিছে। এই অনুসৰি বাক্সা জিলাত সুকলমে পৰীক্ষা অনুষ্ঠিত কৰিবৰ বাবে জিলা প্ৰশাসনে কেতবোৰ নিৰ্দেশনাৱলী জাৰি কৰিছে। জিলাখনৰ বিভিন্ন প্ৰান্তৰ ৪৫টা কেন্দ্ৰত অনুষ্ঠিত কৰিবলগীয়া পৰীক্ষাত প্ৰায় ২০ হাজাৰ পৰীক্ষাৰ্থী অৱতীৰ্ণ হ'ব। জিলাখনৰ দুটা সংবেদনশীল কেন্দ্ৰত জিলা প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা বুলি জানিবলৈ দিছে। নিয়াৰিকৈ পৰীক্ষা পৰিচালনা কৰিবৰ বাবে ফ্লায়িং স্কোৱাড আৰু ভ্ৰাম্যমান চিকিৎসা ব্যৱস্থা লোৱা হৈছে। উল্লেখযোগ্য যে পৰীক্ষা কেন্দ্ৰত মোবাইল ফোন, যিকোনো ইলেকট্ৰনিক সঁজুলি, ঘড়ী, ইলেকট্ৰনিক পেন, স্কেনাৰ, ব্লুটুথ, এয়াৰফোন, মাইক্ৰফোন, কেলকুলেটৰ, পেনড্ৰাইভ আৰু অন্যান্য সংৰক্ষণ মাধ্যমৰ যন্ত্ৰসমূহ নিষিদ্ধ কৰাৰ লগতে কেন্দ্ৰসমূহৰ ৱাইফাই ব্যৱস্থাও বন্ধ থাকিব বুলি জিলা প্ৰশাসনে জানিবলৈ দিছে।

দৰং জিলাতো প্ৰায় ৪১ হাজাৰ প্ৰাৰ্থীয়ে মুঠ ৭৭টা কেন্দ্ৰত এই পৰীক্ষাত অৱতীৰ্ণ হ'ব। পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰিবৰ বাবে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬২ নম্বৰ ধাৰাৰ অধীনত জিলা দণ্ডাধীশে কেতবোৰ নিৰ্দেশনা আৰু নিয়মাৱলী জাৰি কৰিছে। ইফালে জিলা পৰিবহণ বিষয়াই জনোৱা মতে পৰিবহণ

বিভাগে পৰীক্ষা কেন্দ্ৰত উপস্থিত হওঁতে প্ৰাৰ্থীসকলে যাতে যাতায়াতত কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নহয় তাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে।

যোৰহাটতো অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ প্ৰথম পৰ্যায়ৰ প্ৰস্তুতিৰ বাবে নিয়োজিত পৰ্যবেক্ষকে আজি জিলাখনৰ বিভিন্ন পৰীক্ষা কেন্দ্ৰসমূহ পৰিদৰ্শন কৰে। এই সন্দৰ্ভত যোৰহাট আৰ্ত ভৱনৰ সভাকক্ষত জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক আৰু জিলা প্ৰশাসনৰ অন্যান্য বিষয়াসকলৰ পৰ্যবেক্ষকগৰাকীৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত পৰীক্ষা কেন্দ্ৰসমূহৰ সীমা, পৰীক্ষা কোঠা, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা, যাতায়াত ব্যৱস্থা ইত্যাদি বিষয়সমূহৰ পুংখানুপুংখ আলোচনা কৰা হয়। ইয়াৰ লগতে ষ্ট্ৰং ৰুমৰ নিৰাপত্তাৰ দৰে আইন শৃংখলাজনিত বিষয়ৰ সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়।

০০০

কৃষি আৰু কৃষক কল্যান বিভাগৰ ৰাজ্যিক মন্ত্ৰী ৰামনাথ ঠাকুৰে কয় যে খাদ্য সুৰক্ষা আৰু পুষ্টি নিশ্চিত কৰাৰ বাবে ভাৰতবৰ্ষই বিশ্বৰ সৰ্ববৃহৎ খাদ্য ভিত্তিক সুৰক্ষা কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। আজি ব্ৰাজিলৰ কুইয়াবাত অনুষ্ঠিত জি-২০ কৃষি মন্ত্ৰীপৰ্য্যায়ৰ বৈঠকত ভাষণ দি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে কৃষি উন্নয়নত অগ্ৰাধিকাৰ দিছে। তেওঁ লগতে কয় যে ভাৰতৰ এই পন্থাই উৎপাদনশীলতাতে কেৱল গুৰুত্ব আৰোপ কৰা নহয়, ই অৰ্থনৈতিক সামাজিক, পাৰিপাৰ্শ্বিক বহনক্ষমতা সুনিশ্চিত কৰা, কৃষকক সমৃদ্ধিশালী কৰা আৰু উন্নয়নৰ বাবে এক ব্যাপক দৃষ্টিভংগী সম্ভৱ কৰি তোলা বিষয়তো গুৰুত্ব আৰোপ কৰিছে। মন্ত্ৰীগৰাকীয়ে বহনক্ষম আৰু সমৃদ্ধিশালী ভৱিষ্যতৰ বাবে স্থিতিস্থাপক কৃষি ব্যৱস্থা গঢ়ি তোলা বিষয়ৰ প্ৰতি ভাৰতৰ দায়বদ্ধতাৰ ওপৰত আলোকপাত কৰে।

০০০

অসম চৰকাৰে অহা ১৯ চেপ্টেম্বৰত অৰুণোদয় তৃতীয় পৰ্যায়ৰ আঁচনিৰ অধীনত ৰাজ্যৰ ১২৬ টা বিধানসভা সমষ্টিৰ ১২ লাখ ৬০ হাজাৰ নতুন হিতাধিকাৰীক সামৰি ল'ব। তদুপৰি একেদিনাই ১৭ লাখ হিতাধিকাৰীলৈ নতুন ৰেচন কাৰ্ড প্ৰদান প্ৰক্ৰিয়া আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰি কয় যে এই দিনটো ৰাজ্যখনৰ উন্নয়নৰ দিশত দুটা ধবজাবাহী পদক্ষেপৰ সূচনাৰে গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হ'ব।

০০০

**ঃঃ সমাপ্ত ঃঃ**